## পাঠ - ২৩

# মৌলিক অধিকাৰ

4Z2BCQ

**মূল অৰ্হতা ঃ**

- অধিকাৰৰ অৰ্থ বুজি পোৱা।
- মৌলিক অধিকাৰৰ ধাৰণা লাভ কৰা।
- আমাৰ দেশৰ সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰসমূহৰ বিষয়ে জনা।
- মৌলিক অধিকাৰৰ প্ৰয়োজনীয়তা বুজি পোৱা।
- মৌলিক অধিকাৰৰ সীমাবদ্ধতাৰ বিষয়ে অৱগত হোৱা।

এখন স্বাধীন ৰাষ্ট্ৰৰ নাগৰিকসকলৰ ব্যক্তিত্ব বিকাশ আৰু স্বচ্ছন্দভাৱে জীয়াই থাকিবলৈ এটা সুন্দৰ বাতাৱৰণৰ প্ৰয়োজন। বিভিন্ন পৰিস্থিতিত নাগৰিকসকলে উপভোগ কৰিব পৰা সা-সুবিধাৰ বাতাৱৰণেই হৈছে অধিকাৰ। যেনে- বিদ্যালয়ত শিক্ষা গ্ৰহণৰ সুবিধা পালেহে এটি শিশু শিক্ষিত হৈ ভৱিষ্যতে সুনাগৰিক হ'বলৈ সক্ষম হ'ব। গতিকে তেওঁক শিক্ষা লাভ কৰাৰ অধিকাৰ দিব লাগিব। তেতিয়াহে তেওঁৰ বিকাশ ঘটিব। আমাৰ দেশৰ সংবিধানে এইদৰে কেইটামান অধিকাৰ সকলো নাগৰিকক দিছে। এই অধিকাৰবিলাক সাব্যস্ত কৰাত কোনোৱেই কাকো বাধা দিব নোৱাৰে। সেয়ে ইয়াক মৌলিক অধিকাৰ বুলি কোৱা হয়।

এনেধৰণৰ অধিকাৰবোৰকনো কিয় মৌলিক অধিকাৰ বুলি কোৱা হয় তলৰ চিত্ৰপটকেইখনৰ দ্বাৰা বুজিবলৈ চেষ্টা কৰোঁ আহা—










(মাতৃগোট)






আৰক্ষী বিষয়াক লগত লৈ তেওঁলোক ঠিকাদাৰৰ ঘৰলৈ গ'ল আৰু পৰিণীতাক লৈ আহিল।










মালিকনীয়ে জোৰ-জুলুমকৈ পৰিণীতাক কাম কৰোৱাই মাকৰ লগত আহিবলৈ নিদিয়াৰ বাবে তেওঁৰ বিৰুদ্ধে থানাত এটা গোচৰ ৰুজু কৰা হ'ল। মাক আৰু মাতৃগোটৰ মহিলাসকলে এইদৰে আইনী ব্যৱস্থা লোৱাৰ বাবে পৰিণীতাই লোকৰ ঘৰত বন কৰা ছোৱালী হৈ নাথাকি সংবিধানে প্ৰদান কৰা শিক্ষা গ্ৰহণৰ অধিকাৰ লাভ কৰিলে। **এইদৰে নাগৰিকসকলৰ প্ৰতিভা আৰু ব্যক্তিত্ব বিকাশ কৰিবলৈ সংবিধানে যিবিলাক অধিকাৰ প্ৰদান কৰিছে সেই অধিকাৰসমূহকে মৌলিক অধিকাৰ বোলা হয়।** এই মৌলিক অধিকাৰসমূহ উলংঘা কৰিলে তাৰ প্ৰতিৰক্ষাৰ বাবে নাগৰিকসকলে ন্যায়ালয়ৰ কাষ চাপিব পাৰে।

**ওপৰৰ কথাখিনিৰ আলমত চমু উত্তৰ দিয়া—**

- অধিকাৰ মানে কি বুজা?
- পৰিণীতাৰ মাকক মাতৃগোটৰ সদস্যাসকলে কি পৰামৰ্শ দিছিল?
- পৰিণীতাক আনিবৰ বাবে মাতৃগোট আৰু মাকে কাৰ সহায় লৈছিল?

**জানি থওঁ আহা ঃ**

- ভাৰতৰ সংবিধান সভাই সংবিধান প্ৰস্তুত কৰাৰ সময়ত মৌলিক অধিকাৰৰ বাবে এখন উপ-সমিতি গঠন কৰিছিল। এই উপ-সমিতিখনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'বিল অব ৰাইটছ্' (Bill of Rights), ফৰাচী ঘোষণা পত্ৰ, ১৯৩৫ চনৰ আয়াৰলেণ্ডৰ সংবিধান আৰু ১৯৪৮ চনৰ মানৱ অধিকাৰ সাৰ্বজনীন ঘোষণা পত্ৰ পৰ্যালোচনা কৰিছিল। এই উপ-সমিতিখনৰ পৰামৰ্শমতে আদালতৰ দ্বাৰা বিচাৰ যোগ্য অধিকাৰসমূহক মৌলিক অধিকাৰ ৰূপে গণ্য কৰে। ভাৰতীয় সংবিধানখন বলবৎ কৰাৰ সময়ত সংবিধান সভাই নাগৰিকসকলক সাত প্ৰকাৰৰ মৌলিক অধিকাৰ প্ৰদান কৰিছিল। এই অধিকাৰসমূহ হ'ল— সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰ, ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ, সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ। ১৯৭৮ চনৰ সংবিধানৰ ৪৪তম সংশোধনীৰ দ্বাৰা সম্পত্তিৰ অধিকাৰটো মৌলিক অধিকাৰৰ পৰা বিলোপ ঘটোৱা হৈছে।

বৰ্তমান আমাৰ সংবিধানৰ তৃতীয় অধ্যায়ত ১৪ নং অনুচ্ছেদৰ পৰা ৩৫ নং অনুচ্ছেদলৈ ছয় প্ৰকাৰৰ মৌলিক অধিকাৰ সন্নিবিষ্ট কৰা আছে। এই মৌলিক অধিকাৰসমূহ হ'ল—

১। সমতাৰ অধিকাৰ
২। স্বাধীনতাৰ অধিকাৰ
৩। শোষণৰ বিৰুদ্ধে অধিকাৰ
৪। শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰ
৫। ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ
৬। সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ

এতিয়া আমি ভাৰতীয় সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰসমূহৰ বিষয়ে আলোচনা কৰো আহা—

## সমতাৰ অধিকাৰ ঃ

ভাৰতবাসীৰ মাজত সকলো প্ৰকাৰৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক অসমতা দূৰ কৰি নাগৰিকসকলক সমান মৰ্যাদা প্ৰদান কৰাৰ উদ্দেশ্যে সংবিধানৰ ১৪ নং অনুচ্ছেদ পৰা ১৯ নং অনুচ্ছেদলৈ সমতাৰ অধিকাৰ প্ৰদান কৰিছে।

তলৰ ছবিখনলৈ মন কৰাচোন। এনেধৰণৰ প্ৰতিমূৰ্ত্তি তোমালোকে ন্যায়ালয়ত দেখিবলৈ পাবা। এই প্ৰতিমূৰ্ত্তিৰ অৰ্থ হ'ল আইনৰ চকুত সকলো সমান। দেশৰ মুৰব্বী ৰাষ্ট্ৰপতিৰ পৰা সাধাৰণ বনুৱালৈকে সকলোৱে সংবিধানৰ আইন মানি চলিব লাগে।



আইনমতে সকলো জাতি, বৰ্ণ, ধৰ্ম, ধনী-দুখীয়া জন্মস্থান নিৰ্বিশেষে সমানভাৱে বিদ্যালয়, বজাৰ-সমাৰ, ৰাজহুৱা উদ্যান, বাট-পদুলি, পুখুৰী-নাদ আদি ব্যৱহাৰ কৰিব পাৰিব। ইয়াৰ বাহিৰেও চৰকাৰী চাকৰিৰ নিয়োগৰ ক্ষেত্ৰত যোগ্যতা অনুসৰি সুযোগ সুবিধা লাভ কৰিব। আমাৰ সংবিধানে সামাজিক বৈষম্য আৰু কুসংস্কাৰ দূৰ কৰি সমতা স্থাপনৰ বাবে সমাজত অস্পৃশ্যতা নিষিদ্ধকৰণ কৰিছে। সমাজত বিভিন্ন কামৰ বাবে শ্ৰেণী বিভাগ আছে যদিও মানুহ হিচাপে কোনো উচ্চ-নীচ নহয় আৰু আইনে সকলোকে সমান মৰ্যাদা প্ৰদান কৰিছে। অস্পৃশ্যতা আমাৰ দেশৰ এক সামাজিক ব্যাধি।

এই অধিকাৰে সমাজৰ বৈষম্যতা দূৰ কৰি এক সুস্থ সবল, সংস্কৃতিবান দেশ গঢ়াত সহায় কৰে।

**ক্ৰিয়াকলাপ ঃ**

- তোমালোকৰ চুবুৰি/গাঁও/নগৰ/চহৰ আৰু বিভিন্ন অঞ্চলত থকা লোকসকলে সংবিধানৰ কি কি সুবিধা উপভোগ কৰাৰ পৰা বঞ্চিত হৈ আছে তাৰ এখন তালিকা প্ৰস্তুত কৰা।

### স্বাধীনতাৰ অধিকাৰ ঃ

এখন স্বাধীন আৰু গণতান্ত্ৰিক দেশৰ জনসাধাৰণৰ অভাৱ-অভিযোগ আৰু দৈনন্দিন জীৱনৰ সমস্যাসমূহ সমাধান কৰিবৰ বাবে আমাৰ এখন চৰকাৰ আছে। সংবিধানে **১৯ নং** অনুচ্ছেদৰ পৰা **২২ নং** অনুচ্ছেদলৈ ভাৰতবৰ্ষৰ নাগৰিকসকলৰ কাৰণে এই অধিকাৰ প্ৰদান কৰিছে।

তোমালোকে ইতিমধ্যে সপ্তম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ **'প্ৰচাৰ মাধ্যম আৰু গণমাধ্যম'** পাঠটিত সংবাদ পত্ৰ, ৰেডিঅ', টি ভি, ইণ্টাৰনেট আদিৰ জৰিয়তে কেনেদৰে আমি মনৰ ভাব প্ৰকাশ কৰাৰ স্বাধীনতা লাভ কৰিছো সেই বিষয়ে জানি আহিছাহক।

এতিয়া তলৰ ছবি কেইখনলৈ মন কৰাচোন— 'মিলনজ্যোতি মহিলা আৰু 'জনকল্যাণ সন্মিলিত সংঘ'ই হাতত প্লেকাৰ্ড লৈ কেনেদৰে 'মহিলাক সুৰক্ষা দিয়ক', 'মূল্য বৃদ্ধি বোধ কৰক' আদি শ্ল'গান দি শোভাযাত্ৰা কৰিছে।




শোভাযাত্ৰাৰ ছবিখন কেইখন চাই বুজিব পাৰি যে ভাৰতবৰ্ষৰ নাগৰিকৰসকলে তেওঁলোকৰ সমস্যাসমূহ সমাধা কৰিবলৈ চৰকাৰৰ ওচৰত দাবী কৰিব পাৰে। এনেদৰে হাতত কোনো ধৰণৰ অস্ত্ৰ-শস্ত্ৰ নোলোৱাকৈ সম্পূৰ্ণ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে নাগৰিকসকলে সমবেত হোৱাৰ অধিকাৰো লাভ কৰিছে।

জনকল্যাণ সন্মিলিত সংঘ, মিলনজ্যোতি মহিলা সমিতিৰ দৰে প্ৰয়োজন অনুসৰি নাগৰিকসকলে বিভিন্ন অনুষ্ঠান গঠন কৰিব পাৰে আৰু এই অনুষ্ঠানসমূহৰ দ্বাৰা সমাজৰ বিভিন্ন উন্নয়নমূলক কাম কৰিব পাৰে।

তাৰ বাহিৰে নাগৰিকে ভাৰতৰ ভূ-খণ্ডত স্থায়ীভাৱে বসবাস কৰি যিকোনো বৃত্তি, জীৱিকা, ব্যৱসায়-বাণিজ্য কৰাৰ অধিকাৰো পাইছে।

স্বাধীনতা অধিকাৰৰ অন্য এক উল্লেখযোগ্য দিশ হ'ল— কোনো ব্যক্তিৰ অপৰাধ প্ৰমাণ নোহোৱা পৰ্যন্ত আৰক্ষীয়ে শাস্তি বিহিব নোৱাৰিব। কোনো ব্যক্তিক কাৰণ নোহোৱাকৈ ২৪ ঘণ্টাতকৈ অধিক সময় আৰক্ষীয়ে আটক কৰি ৰাখিলে ব্যক্তিজনে আইনৰ সহায় ল'ব পাৰিব।

স্বাধীনতাৰ অধিকাৰৰ অন্তৰ্গত এটা উল্লেখযোগ্য দিশ হৈছে শিশুৰ শিক্ষাৰ অধিকাৰ। ইতিমধ্যে সংবিধানৰ ২১ (ক) অনুচ্ছেদ মতে ৬-১৪ বছৰলৈ সকলো শিশুকে বিনামূলীয়া শিক্ষাৰ অধিকাৰ প্ৰদান কৰা হৈছে। সম্প্ৰতি শিক্ষাৰ অধিকাৰ আইন, ২০০৯ অনুসৰি চৰকাৰী অনুদানেৰে প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠানসমূহত জাতি, ধৰ্ম, বৰ্ণ, ভাষা, নিৰ্বিশেষে সকলো শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ কৰিবলৈ বাধ্য হ'ব। শিশুৰ এই শিক্ষা গ্ৰহণত কোনেও বাধা প্ৰদান কৰিব নোৱাৰিব। এই পাঠৰ ছবি পৃষ্ঠাত তোমালোকে পৰিণীতাৰো যে শিক্ষা গ্ৰহণ কৰাৰ অধিকাৰ আছে সেই বিষয়ে জানিলা। এই

**শিশু শিক্ষাৰ অধিকাৰ** আইনৰ জৰিয়তে পৰিণীতাহঁতৰ দৰে অনেক শিশুৰ শিক্ষা লাভৰ পথ মুকলি কৰা হৈছে। মাতৃগোটৰ মাতৃসকলেও শিশুসকলক শিক্ষা প্ৰদান কৰা যে এক অতি প্ৰয়োজনীয় কৰ্তব্য সেইকথা উপলব্ধি কৰি মণ্টু ঠিকাদাৰৰ ঘৰৰ পৰা পৰিণীতাক আনি বিদ্যালয়ত নাম ভৰ্তি কৰাৰ ব্যৱস্থা কৰিছে। **শিক্ষাৰ অধিকাৰ আইন ২০০৯ চনৰ প্ৰধান উদ্দেশ্য হৈছে—** ৬-১৪ প্ৰতিজন শিশুৰ ৮ বছৰীয়া বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা নিশ্চিতকৰণ, ৬ বছৰ বয়সলৈকে বিদ্যালয়ত নাম ভৰ্তি নকৰাকৈ থকা আৰু প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নকৰা শিশুক উপযুক্ত শ্ৰেণীত নাম ভৰ্তিকৰণ কৰোৱা আদি। ২০১০ চনৰ পৰা আমাৰ দেশত এই আইন কাৰ্যকৰী হৈছে।

**ক্ৰিয়াকলাপ :**

- তোমালোকৰ ওচৰ চুবুৰীয়াৰ কোনো শিশু যদি শিক্ষা লাভৰ পৰা বঞ্চিত হৈ আছে তেন্তে কেনেদৰে তেওঁলোকক বিদ্যালয়লৈ অনাত সহায় কৰিবা দলগতভাৱে আলোচনা কৰি এখন আঁচনি যুগুত কৰা।

## শোষণৰ বিৰুদ্ধে অধিকাৰ :

তোমালোকে কেতিয়াবা হোটেল, ধাবা, দোকান, ইটাভাতা, চাহ-বাগিছা, কাৰখানা আদিত শিশুসকলে কাম কৰা মন কৰিছানে? মালিকসকলে শিশুসকলক কামত নিয়োগ কৰাৰ কাৰণ হ'ল অতি কম মজুৰিতে এওঁলোকে দিন-ৰাতিয়ে কাম কৰি দিয়ে। কোনো কোনো ক্ষেত্ৰত মালিকে শিশুসকলক বিপদজনক বা অনিষ্টকাৰী কাম কৰিবলৈ বাধ্যও কৰায়। কিন্তু আমাৰ সংবিধানৰ ২৩ নং আৰু ২৪ নং অনুচ্ছেদে ধাৰ্য কৰা শোষণৰ বিৰুদ্ধে অধিকাৰত কোৱা হৈছে যে— শ্ৰমিকৰ পৰা বিনা মজুৰিৰে শ্ৰম আদায় কৰা, জোৰ-জুলুমকৈ পৰিশ্ৰম কৰিবলৈ বাধ্য কৰোৱা, অন্যায় আৰু অবৈধ কাম কাজৰ বাবে শিশুক নিয়োগ কৰা আদি আইন বিৰোধী নিষিদ্ধ কাৰ্য।

তলৰ ছবিকেইখন ভালদৰে লক্ষ্য কৰাচোন— চৰকাৰে ২০০৬ চনতে **শিশু শ্ৰমিক নিষিদ্ধ আইন** বলবৎ কৰাৰ পিছতো এতিয়াও বহুতো শিশুৱে কল-কাৰখনা, হোটেল, ইটা ভাতা আদিত কাম কৰা দেখা যায়।



এই শিশু শ্ৰমিকসকলৰ নিজৰ অধিকাৰ সাব্যস্ত কৰি এখন শোষণমুক্ত সমাজ গঢ়িবলৈ দেশৰ প্ৰতিজন নাগৰিক সচেতন হোৱা বাঞ্ছনীয়। অন্যথা দেশৰ ভৱিষ্যত অন্ধকাৰ হোৱাৰ আশংকা বাঢ়ি যাব।

তোমালোকে মন কৰিলে দেখিবা যে প্ৰায়ে বাতৰি কাকতসমূহত অপহৰণ, নিৰুদ্দেশ, সন্ধানহীন আদিৰ দৰে বাতৰি প্ৰকাশ পায়। সমাজৰ এক শ্ৰেণীৰ দুষ্ট প্ৰকৃতিৰ লোকে প্ৰলোভন দি নাবালক কিশোৰ-কিশোৰী আৰু শিশুসকলক অপহৰণ কৰি কোনোবা অজ্ঞাত ব্যক্তিৰ হাতত বিক্ৰী কৰে। এনে কাৰ্যই তেওঁলোকক স্বাভাৱিক জীৱন যাত্ৰাৰ পৰা বঞ্চিত কৰি দুৰ্বিসহ জীৱন যাপন কৰিবলৈ বাধ্য কৰায়। এই সমস্যাসমূহ সমাধানৰ বাবে আমাৰ দেশত বহু ধৰণৰ আইনী ব্যৱস্থা আছে।

**জানি থওঁ আহা ঃ**

- ২০০১ চনৰ লোক পিয়ল অনুসৰি ভাৰতৰ ৬-১৪ বছৰ বয়সৰ ১২ নিযুত শিশুক কামত নিয়োজিত কৰা হয়। ২০০৬ চনৰ অক্টোবৰ মাহত চৰকাৰে শিশু শ্ৰমিক প্ৰতিৰোধ আইন জাৰি কৰি ১৪ বছৰ বয়সৰ তলৰ শিশুক হোটেল, ধাবা, দোকান আদিত আৰু বিপজ্জনক কল-কাৰখানাৰ কামত নিয়োগ কৰা নিষিদ্ধ কৰিছে। এই আইন ভঙ্গকাৰীসকলে ৩ মাহৰ পৰা ২ বছৰ পৰ্যন্ত হাজোতত কাৰাবাস খাটিব লাগিব আৰু ১০,০০০ হাজাৰ টকাৰ পৰা ২০,০০০ হাজাৰ টকা পৰ্যন্ত জৰিমনা ভৰিব লাগিব। মহিলাসকলৰ সুৰক্ষাৰ বাবে **'ঘৰুৱা-হিংসা প্ৰতিৰোধ আইন'** আদিকে ধৰি অন্যান্য আইনও আছে।

**ক্ৰিয়াকলাপ ঃ**

- শিশুসকলক কিয় শ্ৰমিক হিচাপে নিয়োগ কৰে?
- কোন চনত শিশু শ্ৰমিক নিষিদ্ধ আইন জাৰি কৰা হয়?

## শিক্ষা আৰু সাংস্কৃতিক অধিকাৰ ঃ

সংবিধানৰ ২৯ নং আৰু ৩০ নং অনুচ্ছেদত ভাৰতবৰ্ষৰ নাগৰিকসকলৰ বাবে এই অধিকাৰ প্ৰদান কৰা হৈছে।

ভাৰতবৰ্ষত ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু শ্ৰেণীৰ লোকে প্ৰয়োজন অনুসৰি শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিব পাৰে। এই অনুষ্ঠানসমূহলৈ ভাষা নাইবা ধৰ্মৰ বৈষম্য নাৰাখি চৰকাৰে অনুদান প্ৰদান কৰে। চৰকাৰৰ দ্বাৰা প্ৰতিষ্ঠা কৰা এনে শিক্ষানুষ্ঠানত জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলো ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰাৰ সুবিধা আছে।

আমাৰ দেশত বিভিন্ন ধৰ্মাৱলম্বী, ভাষা-ভাষী আৰু সংস্কৃতিৰ মানুহ বাস কৰে। তেওঁলোকৰ নিজৰ নিজৰ ভাষা, লিপি আৰু সংস্কৃতি সুৰক্ষাৰ অধিকাৰ আছে।

## ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ ঃ

তোমালোকে ইতিমধ্যে জানিব পাৰিছা যে ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ। ইয়াত কোনো ধৰ্মকে ৰাষ্ট্ৰীয় ধৰ্মৰূপে স্বীকৃতি দিয়া হোৱা নাই। ভাৰতবৰ্ষৰ সকলো ধৰ্মাৱলম্বী লোকে তেওঁলোকৰ নিজ ইচ্ছা অনুসৰি ধৰ্ম গ্ৰহণ, চৰ্চা, প্ৰচাৰ আৰু ধৰ্মীয় অনুষ্ঠান প্ৰতিষ্ঠা কৰিব পাৰে। বিভিন্ন ধৰ্মৰ লোকৰ মাজত যাতে ঐক্য-সংহতি ৰক্ষা পৰে তাৰ প্ৰতি লক্ষ্য ৰাখি সংবিধানৰ ২৬, ২৭ আৰু ২৮ নং অনুচ্ছেদত ধৰ্মীয় অধিকাৰ প্ৰদান কৰিছে।

## সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ ঃ

আমাৰ সংবিধানে যিদৰে নাগৰিকসকলক মৌলিক অধিকাৰ প্ৰদান কৰিছে সেইদৰে এই অধিকাৰসমূহ উলংঘা

কৰাৰ ক্ষেত্ৰতো সংবিধানে ৩২ নং অনুচ্ছেদৰ পৰা ৩৫ নং অনুচ্ছেদলৈ ব্যৱস্থা গ্ৰহণ কৰিছে।

এই অধিকাৰ অনুসৰি নাগৰিকে মৌলিক অধিকাৰসমূহ উপভোগ কৰাৰ পৰা বঞ্চিত হ'লে ন্যায়ালয়ত আবেদন জনাব পাৰে।

ভাৰতৰ সংবিধান সভাৰ খচৰা কমিটিৰ সভাপতি ড° বি আৰ আম্বেদকাৰে সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰক সংবিধানৰ 'আত্মা আৰু প্ৰাণকেন্দ্ৰ' বুলি মন্তব্য কৰিছিল।

**ক্ৰিয়াকলাপ ঃ**

- ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় ধৰ্ম আছেনে?
- নাগৰিকসকলে মৌলিক অধিকাৰৰ পৰা বঞ্চিত হ'লে কাৰ সহায় ল'ব পাৰে?

## মৌলিক অধিকাৰৰ বৈশিষ্ট্য ঃ

ওপৰৰ আলোচনাৰ পৰা আমাৰ সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰসমূহৰ বিষয়ে জানিব পাৰিলাহক। এই অধিকাৰসমূহৰ কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য হ'ল-

- মৌলিক অধিকাৰ সংবিধানৰ এক গুৰুত্বপূৰ্ণ অংশ।
- সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰৰ জৰিয়তে নাগৰিকেমৌলিক অধিকাৰ উপভোগ কৰাৰ পৰা বঞ্চিত হ'লে ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব পাৰিব। সেইবাবে ন্যায়ালয়ক **মৌলিক অধিকাৰৰ ৰক্ষক** বুলি কোৱা হয়।
- ভাৰতবৰ্ষৰ সকলো নাগৰিকে কোনো বৈষম্য নৰখাকৈ জাতি, ধৰ্ম, বৰ্ণ, ভাষা, সম্প্ৰদায় নিৰ্বিশেষে সমানে এই অধিকাৰসমূহ উপভোগ কৰিব পাৰে।

## মৌলিক অধিকাৰৰ সীমাবদ্ধতা ঃ

ভাৰতবৰ্ষৰ সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰসমূহ চূড়ান্ত নহয়। ইয়াৰ কিছুমান সীমাবদ্ধতা আছে। দেশত জৰুৰীকালীন অৱস্থা ঘোষণা কৰিলে নাগৰিকৰ মৌলিক অধিকাৰসমূহ সাময়িকভাৱে কৰ্তন হ'ব পাৰে।

## মৌলিক অধিকাৰৰ প্ৰয়োজনীয়তা ঃ

তোমালোকে ওপৰৰ আলোচনাৰ পৰা জানিব পৰিলা যে এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত নাগৰিকসকলক মৌলিক অধিকাৰ প্ৰদান কৰিলেও তাৰ কিছুমান সীমাবদ্ধতা আছে। কিন্তু এই মৌলিক অধিকাৰসমূহ নাগৰিকসকলৰ বাবে অত্যন্ত প্ৰয়োজনীয় কাৰণ—

- মৌলিক অধিকাৰসমূহৰ অবিহনে নাগৰিকৰ ব্যক্তিত্ব বিকাশত বাধাৰ সৃষ্টি হয়।
- মৌলিক অধিকাৰৰ মাজেদি এখন ৰাষ্ট্ৰৰ পৰিচয় পোৱা যায়।
- মৌলিক অধিকাৰসমূহ উপভোগ কৰাৰ ক্ষেত্ৰত কোনো বৈষম্য নথকাৰ বাবে জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে নাৰী-পুৰুষ উভয়ে এই অধিকাৰসমূহ সমানে উপভোগ কৰিব পাৰে।

## মনত ৰাখিবলগীয়া কথা

- ৰাষ্ট্ৰৰ নাগৰিকসকলৰ ব্যক্তিত্ব বিকাশ আৰু স্বচ্ছন্দভাৱে জীয়াই থাকিবলৈ পোৱা সা-সুবিধাৰ বাতাৱৰণেই হ'ল অধিকাৰ।
- ভাৰতীয় সংবিধানৰ দ্বাৰা স্বীকৃত অধিকাৰসমূহক মৌলিক অধিকাৰ বোলে।
- এই মৌলিক অধিকাৰসমূহ উলংঘা কৰিলে তাৰ প্ৰতিকাৰৰ বাবে বিশেষ ব্যৱস্থা আছে।
- ভাৰতবৰ্ষৰ সংবিধানৰ ১৪ নং অনুচ্ছেদৰ পৰা ৩৫ নং অনুচ্ছেদলৈ ৬ প্ৰকাৰৰ মৌলিক অধিকাৰ সন্নিৱিষ্ট কৰা হৈছে। এই অধিকাৰসমূহ তালিকা কৰি মনত ৰাখা—

| সমতাৰ অধিকাৰ | স্বাধীনতাৰ অধিকাৰ | শোষণৰ বিৰুদ্ধে অধিকাৰ | শিক্ষা আৰু সাংস্কৃতিক অধিকাৰ | ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ | সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ |
|---|---|---|---|---|---|
| আইনৰ চকুত সমান<br>চৰকাৰী চাকৰি লাভৰ ক্ষেত্ৰত সমতা।<br>অস্পৃশ্যতা দুৰীকৰণ।<br>ৰাজহুৱা স্থানসমূহৰ সম ব্যৱহাৰ | মনৰ ভাব প্ৰকাশ কৰা<br>মতামত প্ৰকাশ কৰা।<br>সংঘ স্থাপন কৰা।<br>ভাৰত ভূ-খণ্ডত বসবাস কৰা<br>জীৱিকাৰ অধিকাৰ<br>আইনৰ সহায় লোৱা।<br>সমানভাৱে শিক্ষা লাভ কৰা | শিশু শ্ৰমিক নিষিদ্ধকৰণ<br>উপযুক্ত কামৰ বাবে উপযুক্ত মজুৰি।<br>অৰ্থনৈতিক নিৰাপত্তা।<br>মহিলা নিৰাপত্তা। | প্ৰয়োজন অনুসৰি শিক্ষানুষ্ঠান স্থাপন।<br>নিজা ভাষা সংস্কৃতি চৰ্চা, প্ৰচাৰ আৰু ৰক্ষা। | নিজা নিজা ধৰ্ম গ্ৰহণ, পালন আৰু প্ৰচাৰ কৰা। | মৌলিক অধিকাৰসমূহ উপভোগ কৰাৰ পৰা বঞ্চিত হ'লে ন্যায়ালয়ৰ সহায় লোৱা। |

- মৌলিক অধিকাৰৰ পৰা সম্পত্তিৰ অধিকাৰটো ১৯৭৮ চনত বিলোপ ঘটোৱা হৈছে।
- মৌলিক অধিকাৰৰ প্ৰধান বৈশিষ্ট্য হ'ল—

(ক) মৌলিক অধিকাৰসমূহ সংবিধানৰ এক অবিচ্ছেদ্য অংগ।

(খ) মৌলিক অধিকাৰসমূহ বৈষম্যমূলক নহয়।

(গ) সাংবিধানিক প্ৰতিকাৰৰ জৰিয়তে মৌলিক অধিকাৰ ৰক্ষা কৰিব পাৰি।

(ঘ) মৌলিক অধিকাৰে নাগৰিকৰ ব্যক্তিত্ব বিকাশত সহায় কৰে।

(ঙ) নাগৰিকৰ মৌলিক অধিকাৰে চৰকাৰক স্বেচ্ছাচাৰী শাসন চলোৱাত বাধা প্ৰদান কৰে।

## অনুশীলনী

১। চমু উত্তৰ দিয়া—

ক) মৌলিক অধিকাৰ বুলিলে কি বুজা?

খ) কোন দেশত প্ৰথমে মৌলিক অধিকাৰৰ ধাৰণাৰ জন্ম হৈছিল?

গ) সংবিধানৰ কিমান নং অনুচ্ছেদৰ ভিতৰত মৌলিক অধিকাৰসমূহৰ উল্লেখ আছে?

ঘ) ভাৰতৰ সংবিধানৰ সম্পত্তিৰ অধিকাৰটো কোন চনত বিলোপ কৰা হয়?

ঙ) কোন চনত শিশু শিক্ষাৰ অধিকাৰ আইন প্ৰণয়ন কৰা হয়?

২। খালী ঠাই পূৰ কৰা—

ক) অস্পৃশ্যতা এক সামাজিক ________।

খ) ভাৰতবৰ্ষ এখন ধৰ্ম ________ ৰাষ্ট্ৰ।

গ) মৌলিক অধিকাৰসমূহ সংবিধানৰ এক অবিচ্ছেদ্য ________।

ঘ) মৌলিক অধিকাৰ নাগৰিকৰ ________ বিকাশত সহায় কৰে।

৩। শুদ্ধ উত্তৰটো বাছি উলিওৱা—

ক) দেশৰ জৰুৰীকালীন অৱস্থাত নাগৰিকে সকলো মৌলিক অধিকাৰ উপভোগ কৰিব পাৰে/নোৱাৰে।

খ) মৌলিক অধিকাৰৰ পৰা নাগৰিকসকল বঞ্চিত হ'লে ন্যায়ালয়ৰ ওচৰ চাপিব পাৰে/নোৱাৰে।

গ) আইনৰ দৃষ্টিত ৰাষ্ট্ৰপতিৰ পৰা বনুৱালৈকে সকলো সমান হয়/নহয়।

ঘ) চৰকাৰী সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠানত সকলো ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰিব পাৰে/নোৱাৰে।

ঙ) সকলো ভাৰতীয় নাগৰিকে নিজৰ নিজৰ ভাষা-সংস্কৃতি ৰক্ষা কৰিব পাৰে/নোৱাৰে।

৪। সংবিধানত মৌলিক অধিকাৰসমূহ অন্তৰ্ভুক্ত কৰাৰ কাৰণ কি লিখা।

৫। শিক্ষকৰ সহায়ত শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ এই বিষয়টোৰ ওপৰত এখন তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা— "মৌলিক অধিকাৰ জনসাধাৰণৰ ৰক্ষা কৱচ"।

৬। 'শিশু শ্ৰমিক নিষিদ্ধকৰণ, মহিলাক সম অধিকাৰ প্ৰদান কৰা আৰু সমাজৰ পৰা অন্ধবিশ্বাস দূৰ কৰা'— এনেধৰণৰ সমস্যাসমূহৰ ওপৰত একোখন চুটি বাটৰ নাট লিখি ঠায়ে ঠায়ে অনুষ্ঠিত কৰিবা।